**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-11-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

মৰিগাঁও জিলাৰ আঁহতগুৰিত আজি ৰজত কমল বঁটাপ্ৰাপক চলচ্চিত্ৰ পৰিচালক, অভিনেতা হেমেন দাসৰ প্ৰথম মৃত্যুবাৰ্ষিকী পালন কৰা হয়। এই উপলক্ষে প্ৰয়াত শিল্পীগৰাকীৰ আঁহতগুৰিৰ নিজা বাসভৱনত স্মৃতিচাৰণ আৰু গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। এই সভাখনত কটন বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰববী অধ্যাপক ডং অকুণ্ঠিতা বৰঠাকুৰৰ সম্পাদনা আৰু গৱেষক ছাত্ৰী প্ৰিয়ম ডি জোৎস্নাৰ সহ-সম্পাদনাত প্ৰকাশ কৰা **অনুক্ত** শীৰ্ষক স্মৃতিগ্ৰন্থখন উন্মোচন কৰা হয়। অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মী ৰবীন ডেকা, ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া মাধুৰিমা বৰুৱা সেন, তেজপুৰ বিশ্ববিদ্যালয়ৰ সংস্কৃতি অধ্যয়ন বিভাগৰ প্ৰাক্তন মুৰববী সুনীল কুমাৰ দত্ত, অভিনেত্ৰী সীতাৰাণী হাজৰিকা, চলচ্চিত্ৰ পৰিচালক সঞ্জীৱ সভাপণ্ডিত, আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰচাৰণ কাৰ্যবাহী ইন্দ্ৰজিৎ দাস প্ৰমুখ্যে কেইবাজনো বিশিষ্ট ব্যক্তিয়ে গ্ৰন্থ উন্মোচন কৰে। সভাত সকলোৱে হেমেন দাসৰ স্মৃতি যুগমীয়া কৰাৰ বাবে তেওঁ লিখা চিনেমা বিষয়ক প্ৰবন্ধৰ সংকলন প্ৰকাশ কৰা আৰু এখন তথ্যচিত্ৰ নিৰ্মাণ কৰি নতুন প্ৰজন্মক হেমেন দাসৰ বহুমুখী প্ৰতিভাৰ বিষয়ে জনোৱা তথা গৱেষণাৰ বাট মুকলি কৰাৰ বাবে আলোকপাত কৰে।

0000000

নগাঁৱৰ আগশাৰীৰ শিক্ষানুষ্ঠান নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ ১৫৯ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৱা কাৰ্যসূচীৰে উদযাপন কৰা হয়। এই উপলক্ষে বিদ্যালয়ৰ চৌহদত স্থানীয় বিধায়ক ৰূপক শৰ্মাই প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰতিষ্ঠা কালৰ পৰা জড়িত শিক্ষাগুৰু আৰু ব্যক্তিসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি শোভাযাত্ৰা উলিওৱাৰ লগতে বিদ্যালয়ৰ প্ৰাংগণত নতুনকৈ নিৰ্মাণ কৰা দুমহলীয়া অতিৰিক্ত শ্ৰেণীকোঠাৰ উন্মোচন কৰা হয়। স্থানীয় বিধায়ক শ্ৰী শৰ্মাই শ্ৰেণীকোঠাৰ দ্বাৰ উন্মোচন কৰে। আজিৰ এই অনুষ্ঠানত বিদ্যালয়খনৰ বৰ্তমানৰ অধ্যক্ষ বসন্ত গোস্বামী, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ লগতে প্ৰাক্তন অধ্যক্ষ, প্ৰাক্তন শিক্ষাগুৰু আৰু প্ৰাক্তন শিক্ষাৰ্থী উপস্থিত থাকে।

000000

বাক্সা জিলাৰ জালাহত আজি অসম আৰক্ষীৰ শিশু মিত্ৰ কাৰ্যসূচীৰ অধীনত শিশু অধিকাৰ সপ্তাহ ২০২৪ উদযাপন কৰা হয়। শিমলা আৰক্ষী থানাৰ উদ্যোগত আৰু ডাঃ অনন্ত একাডেমী, জালাহৰ সহযোগত আয়োজিত সভাত শালবাৰী মহকুমাৰ আৰক্ষী বিষয়া সুধন্য শুক্লবৈদ্যই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। ডাঃ অনন্ত একাডেমীৰ অধ্যক্ষ ভৱেশ শৰ্মাই সভাপতিত্ব কৰা সভাখনত শিমলা থানাৰ ভাৰপ্ৰাপ্ত চন্দন গগৈ, জালাহ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া গায়ত্ৰী গগৈ, জালাহ উন্নয়ন সমিতিৰ সম্পাদক সত্যজিৎ দাসকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি আৰু দুই শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

000000

যোৰহাটৰ ম'হবন্ধা এৰালতলি পথাৰত অহা বছৰৰ ৬ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক অধিৱেশনৰ লাইখুঁটা আজি স্থাপন কৰা হয়। লাইখুঁটা স্থাপন উপলক্ষে অনুষ্ঠিত মুকলি সভাত বিত্তমন্ত্ৰী অজন্তা নেওগ, কৃষিমন্ত্ৰী অতুল বৰা, কাজিৰঙা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ লগতে জিলা

আয়ুক্ত উপস্থিত থাকে। বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্তৰ উপস্থিতিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভৰেন্দ্ৰ নাথ ডেকাই লাইখুঁটা স্থাপন কৰে।

০০০০০০

দৰং জিলাৰ খাৰুপেটীয়াৰ উপকণ্ঠৰ বদলিবৰালি গাঁৱত আজি এটা বাঘে এজন লোকক আক্ৰমণ কৰে। স্থানীয় গাঁওৰক্ষী বাহিনীৰ সদস্য জনোৱা অনুসৰি বাঘৰ আক্ৰমণত আহত হোৱা ওমৰ আলী নামৰ লোকজনক মঙলদৈ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। খেতিপথাৰত কাম কৰি থকাৰ সময়ত অতৰ্কিতে বাঘটোৱে লোকজনক আক্ৰমণ কৰে। ইতিমধ্যে বন বিভাগ আৰু আৰক্ষীৰ লোকে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ ওপৰত নজৰ ৰাখিছে। উল্লেখযোগ্য যে কিছুদিন পূৰ্বে ধুলা থানাৰ অন্তৰ্গত গৰাপুৰি গাঁৱত বাঘৰ আক্ৰমণত এগৰাকী মহিলা আহত হৈছিল।

০০০০০০

শিৱসাগৰ জিলাৰ নামতিত দুদিনীয়া অনুষ্ঠিত ভাৰোত্তোলনৰ বিশেষ বাছনি শিবিৰৰ আজি সামৰণি পৰে। এই বাছনি শিবিৰত টকিঅ' অলিম্পিক ৰূপৰ পদকজয়ী ভাৰোত্তোলক মীৰাবাঈ ছানুৱে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। শিৱসাগৰ জিলা ভাৰোত্তোলন সন্থাৰ উদ্যোগত আৰু অসম ভাৰোত্তোলন সন্থাৰ সহযোগত অনুষ্ঠিত এই শিবিৰত ৰাজ্যখনৰ তিনিশতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। উত্তৰ প্ৰদেশ শ্ৰীৰাম ফাউণ্ডেচনৰ দ্বাৰা পৰিচালিত আৰু মীৰাবাঈ ছানুৰ নেতৃত্বত সম্পন্ন হোৱা এই শিবিৰৰ পৰা প্ৰতিভাৱান ভাৰোত্তোলক বাছনি কৰা হয়। এই শিবিৰৰ পৰা নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীয়ে শ্ৰীৰাম স্পৰ্টছ্ একাডেমীত উন্নত প্ৰশিক্ষণ লোৱাৰ সুযোগ লাভ কৰিব। উল্লেখযোগ্য যে উত্তৰ-পূৰ্বাঞ্চলৰ পৰা ভাৰোত্তোলনৰ নতুন প্ৰতিভা চিনাক্ত কৰি দেশৰ সম্পদ হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি মীৰাবাঈ ছানুৱে মন্তব্য কৰে।

০০০০০০

বৰপেটা জিলাৰ হাউলীৰ বি এইচ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ যাদৱেন্দ্ৰ বিশ্বাসৰ আজি ৭৫ বছৰ বয়সত মৃত্যু হয়। কোচবিহাৰৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত বিশ্বাসৰ মৃত্যু হয়। বৰপেটা ৰোডৰ বাবুপাৰাৰ বাসিন্দা বিশ্বাস বি এইচ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক হিচাপে কৰ্মৰত হৈ থাকি পাছলৈ তেওঁ মহাবিদ্যালয়খনৰ উপাধ্যক্ষ হৈছিল। সামাজিকভাৱে সক্ৰিয় বিশ্বাসৰ মৃত্যুত হাউলী অঞ্চলত শোকৰ ছাঁ পৰে।

০০০০০০

যোৰহাট জিলাৰ প্ৰতিভাৱান ফুটবল খেলুৱৈ মানৱ দত্তৰ আজি এটা পথ দুৰ্ঘটনাত মৃত্যু হয়। যোৰহাট জিলা ক্ৰীড়া সন্থাৰ পঞ্জীয়নভুক্ত খেলুৱৈ দত্তৰ মৃত্যুৰ পাছতে আজি হ'বলগীয়া এ-ডিভিজনৰ ফুটবল খেলখন বাতিল কৰা হয়। উদীয়মান খেলুৱৈগৰাকীৰ মৃত্যুত জিলা ক্ৰীড়া সন্থাই শোক প্ৰকাশ কৰে।

০০০০০০

**সমাপ্ত**